আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, JANUARY 7, 2024>> 10 PM | www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।।প্ৰথম বছৰ, সংখ্যা ১৩ | Guwahati, Assam ।। মূল্যঃ এটকা

## বাংলাদেশত আকৌ চৰকাৰ গঠনৰ দিশে শ্বেখ হাছিনা!

**ঢাকা, ৭ জানুৱাৰীঃ** ব্যাপক হিংসা আৰু বিৰোধীৰ ভিন্ন অভিযোগৰ মাজতে বাংলাদেশৰ সাধাৰণ নিৰ্বাচন ৭ জানুৱাৰীত অনুষ্ঠিত হয়। এইবাৰৰ সাধাৰণ নিৰ্বাচন হৈছে বাংলাদেশৰ দ্বাদশ সংসদীয় নিৰ্বাচন। বিৰোধীয়ে শাসকীয় আৱামী লীগে নিৰ্বাচনত ব্যাপক অনিয়ম সংঘটিত কৰা বুলি অভিযোগ উত্থাপন

■ শেষাংশ ২নং পৃষ্ঠাত

## 'পুনৰ্জন্ম'ৰ আশাৰে ৭ জনে কৰিলে আত্মহত্যা!

### সমগ্ৰ বিশ্বজুৰি চাঞ্চল্য

**কলম্বো, ৭ জানুৱাৰীঃ** মৃত্যুৰ পিছত পুনৰ লভিব পাৰি মনুষ্য জীৱন! এই অন্ধ বিশ্বাসৰ বশৱৰ্তী হৈ শ্ৰীলংকাৰ আম্বালানগোডা অঞ্চলত এজন ধৰ্মগুৰুসহ ৭ জন লোকে আত্মহত্যা কৰাৰ সন্দেহ কৰা হৈছে। মৃত্যুৰ তদন্তৰ পিছত আৰক্ষীয়ে দাবী কৰা মতে, শীঘ্ৰে পুনৰ জনম লাভৰ মানসেৰেই আত্মহত্যা কৰে আটাইকেইজনে। নিহতসকলৰ ভিতৰত আছে তিনিটা শিশুও। প্ৰাথমিক তদন্ত অনুসৰি, ৪৭ বৰ্ষীয় বৌদ্ধ ধৰ্মগুৰু ৰুৱন প্ৰসন্ন গুণাৰত্নেয়ে প্ৰায়ে তেওঁৰ ধৰ্মসভাত পুনৰ জনমৰ কথা কৈ আহিছিল। শ্ৰীলংকাৰ বিভিন্ন প্ৰান্তত ভুলকৈ বৌদ্ধ ধৰ্মৰ প্ৰচাৰ চলাই অহাৰ অভিযোগ উঠিছিল গুণাৰত্নেয়ে। তেওঁ তেওঁৰ ধৰ্মধ্বনিত

■ শেষাংশ ২নং পৃষ্ঠাত

### লক্ষ্য ৪টা লোকসভা সমষ্টি, ২৮টা বিধানসভা সমষ্টি

# ৰাজ্যত আকৌ গঠন হ'ল নতুন ৰাজনৈতিক দল



ই-সংবাদ, বঙাইগাঁও, ৭ জানুৱাৰীঃ **পুনৰ ৰাজ্যত ভূমিষ্ঠ হৈছে আন এটা আঞ্চলিক ৰাজনৈতিক দল। এইবাৰ নামনি অসমৰ বঙাইগাঁও জিলাত ভূমিষ্ঠ হৈছে আঞ্চলিক ৰাজনৈতিক দল। আজি জাতীয় শ্বহীদ দিৱসৰ দিনটোতে কোঁচ-ৰাজবংশী জনগোষ্ঠীৰ অধিকাৰৰ দাবীত গঠন কৰা হৈছে ৰাজনৈতিক দলটো।**

■ শেষাংশ ২নং পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'পুনৰ্জন্ম'ৰ আশাৰে ৭ জনে কৰিলে

দাবী কৰিছিল যে আত্মহত্যাৰ পিছত অতি সোনকালে মনুষ্য জীৱন লাভ কৰিব পাৰি। আৰক্ষীৰ দাবী অনুসৰি, গুণাৰত্নেয়ে প্ৰথমে কেমিকেল লেবত কাম কৰিছিল যদিও পিছত এই কাম এৰি ধৰ্মগুৰু হিচাপে বৌদ্ধ ধৰ্মৰ প্ৰচাৰত নামি পৰিছিল। কিন্তু ২৮ ডিচেম্বৰত নিজৰ ঘৰতে বিহপান কৰি আত্মহত্যা কৰে গুণাৰত্নেয়ে। আৰু ইয়াৰ পিছতে তিনি সন্তানৰ খাদ্যত বিহ মিহলাই হত্যা কৰি নিজেও আত্মহত্যা কৰে ধৰ্মগুৰুজনৰ পত্নীয়েও। আৰক্ষীয়ে ধৰ্মগুৰুৰ পৰিয়ালৰ ৫ জনৰ মৃত্যুৰ তদন্ত কৰি প্ৰথম অৱস্থাত এয়া আৰ্থিক সমস্যা বা পাৰিবাৰিক কাৰণত কৰা আত্মহত্যা বুলি সন্দেহ কৰিছিল যদিও তদন্ত আগুৱাই নিয়াৰ লগে লগে অনেক বিস্ফোৰক তথ্য পোহৰলৈ আহে। ধৰ্মগুৰুৰ পৰিয়ালৰ অন্ত্যেষ্টিক্ৰিয়াৰ সময়ত উপস্থিত থকা ৩৪ বৰ্ষীয় পিৰাতি কুমাৰ নামৰ এজন লোকক আৰক্ষীয়ে আটক কৰি আৰক্ষীয়ে জেৰা চলোৱাত জানিব পাৰে যে ধৰ্মগুৰুৰ লগতে তেওঁৰ গোটেই পৰিয়ালটো পুনৰ জনমৰ ওপৰত বিশ্বাস কৰিছিল। আনকি পিৰাতি কুমাৰেও পুনৰ জনমৰ দাবীত বিশ্বাস কৰি বিগত কেইবছৰমানৰ পৰা ধৰ্মগুৰুজনৰ পৰিয়ালত ৰীতি-নীতিত ভাগ লৈ আহিছিল। ইফালে আৰক্ষীৰ জেৰাৰ মাত্ৰ কিছুদিনৰ পিছতে ২ জানুৱাৰীত এখন হোটেলত নিচাজাতীয় সামগ্ৰী সেৱন কৰি আত্মহত্যা কৰে পিৰাতি কুমাৰেও। একে সময়তে ধৰ্মগুৰুজনৰ সৈতে বিগত কেইবা বছৰৰ পৰা জড়িত হৈ থকা আন এগৰাকী মহিলাইও আত্মহত্যা কৰাত সমগ্ৰ ঘটনা পুনৰ জনম লাভৰ অন্ধ বিশ্বাসৰ বাবেই সংঘটিত হোৱা বুলি সন্দেহ দৃঢ় হয় আৰক্ষীৰ। উল্লেখ্য যে, ৫ বছৰ পূৰ্বে তদ্ৰুপ ঘটনা সংঘটিত হৈছিল দিল্লীতো, য'ত একেটা পৰিয়ালৰ ১১ জন লোকে আত্মহত্যা কৰাৰ ঘটনাই সমগ্ৰ দিল্লীত সৃষ্টি কৰিছিল তীব্ৰ চাঞ্চল্যৰ। ভাটিয়া পৰিয়ালৰ এই নিহত সকলৰ ভিতৰত আটাইতকৈ বৰ্ষীয়ান আছিল পৰিয়ালৰ মুৰব্বী নাৰায়ণ দেৱী (৭৭)। ইয়াৰ উপৰিও তেওঁৰ জ্যেষ্ঠ পুত্ৰ ইয়াৰ উপৰিও তেওঁৰ জ্যেষ্ঠ পুত্ৰ ভৱনেশ ওৰফে ভুপ্পী (৫০), দ্বিতীয় পুত্ৰ ললিত (৪৫) আৰু তেওঁলোকৰ পত্নী সবিতা (৪৮) আৰু টিনা (৪২)ইও চিপ লৈ আত্মহত্যা কৰিছিল। অন্যহাতে ভুপ্পীৰ দুই কণমানি কন্যা আৰু এজন নাবালক পুত্ৰৰ লগতে ললিতৰ ১৫ বছৰীয়া পুত্ৰকো মৃত অৱস্থাত উদ্ধাৰ কৰিছিল আৰক্ষীয়ে। আটাইকেইজনৰে মৃতদেহ চিপ লোৱা অৱস্থাত ঘৰৰ ভিতৰত প্ৰত্যক্ষ কৰিছিল চুবুৰীয়াই। আৰক্ষীয়ে তদন্তৰ সময়ত ভাটিয়া পৰিয়ালৰ বাসগৃহৰ পৰা দুখন টোকাবহী উদ্ধাৰ কৰিছিল, য'ত কেৱল লিখা আছিল আধ্যাত্মিকতা আৰু মৃত্যুৰ পিছৰ মোক্ষ লাভৰ কথা।

# বাংলাদেশত আকৌ চৰকাৰ গঠনৰ দিশে

কৰিছে যদিও ২৯৯ খন আসনত ভোটগ্ৰহণ সমাপ্তিৰ পাছতে ভোটগণনা অনুষ্ঠিত হয়। সাধাৰণ নিৰ্বাচনত আৱামী লীগৰ সভাপতি তথা প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাই নিজ সমষ্টিত জয়লাভ কৰিছে। ৭ জানুৱাৰীৰ নিশাই বাংলাদেশী সংবাদ মাধ্যমে এই বাতৰি প্ৰকাশ কৰিছে। বাংলাদেশৰ প্ৰধানমন্ত্ৰী হাছিনাই ঢাকাৰ গোপালগঞ্জ জিলাৰ গোপালগঞ্জ-৩ সমষ্টিত প্ৰাৰ্থী হিচাপে থিয় দিছিল। গোপালগঞ্জ হাছিনাৰ জন্মস্থান। হাছিনাই ২০১৪ আৰু ২০১৮ চনত সমষ্টিটোৰ পৰাই প্ৰতিদ্বন্দ্বিতা কৰিছিল। আৱামী লীগৰ সভাপতি তথা প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাৰ গোপালগঞ্জ-৩ সমষ্টিৰ মুঠ ভোটাৰৰ সংখ্যা হৈছে ২ লাখ ৯০ হাজাৰ ৩০০। ইয়াৰ ভিতৰত হাছিনাই ২ লাখ ৪৯ হাজাৰ ৯৬২টা ভোট লাভ কৰে। নিকটতম প্ৰতিদ্বন্দ্বী এনপিপিৰ শ্বেখ আবুল কালামে ৪৬০ টা ভোট লাভ কৰিছিল। আন এজন প্ৰাৰ্থী মহাবুৰ মোল্লা ৪২৫টা ভোটৰ সৈতে তৃতীয় স্থানত আছে। মহাবুৰ মোল্লা জাকাৰ পাৰ্টিৰ প্ৰাৰ্থী। দেশৰ বিভিন্ন প্ৰান্তত পুৱা ৮ বজাত ভোটদান প্ৰক্ৰিয়া আৰম্ভ হৈছিল। আবেলি ৪ বজাত সমাপ্ত হয়। মুঠ ৩০০ খন আসনত ভোট দান কৰা হয়। কিন্তু এজন প্ৰাৰ্থীৰ মৃত্যুৰ বাবে নাওগাঁও-২ সমষ্টিত ভোটদান বাতিল কৰা হয়। ফলস্বৰূপে, দেওবাৰে ২৯৯খন আসনত ভোটগ্ৰহণ অনুষ্ঠিত হয়। ভোটদান সমাপ্ত হোৱাৰ পিছত সন্ধিয়া গণনা প্ৰক্ৰিয়া আৰম্ভ হৈছিল। বাংলাদেশী সংবাদ মাধ্যমে নিশা প্ৰায় ৮:৪৫ বজাত হাছিনাৰ বিজয়ৰ বাতৰি অনানুষ্ঠানিকভাৱে প্ৰকাশ কৰে। দেখা গৈছে যে হাছিনাই তেওঁৰ সমষ্টিত বৃহৎ ব্যৱধানত জয়লাভ কৰিছে। দ্বিতীয় সৰ্বাধিক ভোট থকা প্ৰাৰ্থীৰ মাজৰ পাৰ্থক্য হৈছে ২,৪৯,৫০২টা। বাংলাদেশত আৱামী লীগে চৰকাৰ গঠন কৰাটো নিশ্চিত বুলি দাবী কৰিছিল নিৰ্বাচনী বিশ্লেষকসকলে। কমেও ২০০ খন আসন লাভ কৰি হাছিনাই চৰকাৰ গঠন কৰাৰ সম্ভাৱনা আছে। ফলাফল ঘোষণা নোহোৱা পৰ্যন্ত চৰকাৰ কোনে গঠন কৰিব সেই কথা স্পষ্ট নহয় বুলিও দাবী কৰিছে বিশ্লেষকে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যত আকৌ

দলটোৰ নাম দিয়া হৈছে 'কমতাপুৰ পিপুলচ ফ্ৰন্ট'। এই দলটোৱে কোঁচ-ৰাজবংশীৰ লগতে নামনি অসমৰ উপেক্ষিত বিভিন্ন জাতি-জনগোষ্ঠীৰ অধিকাৰসমূহ সংসদ আৰু বিধানসভাত উত্থাপনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। আজি আছিল কোঁচ-ৰাজবংশীসকলৰ জাতীয় শ্বহীদ দিৱস। শ্বহীদ দিৱসৰ দিনটোতে জনগোষ্ঠীটোক প্ৰতিনিধিত্ব কৰা একাংশ শীৰ্ষ লোকে দলটো গঠন কৰে। বঙাইগাঁও চহৰৰ হোটেল জাহ্নৱীত কোঁচ-ৰাজবংশী জাতীয় পৰিষদৰ উদ্যোগত এখন ৰাজনৈতিক অভিৱৰ্তন অনুষ্ঠিত হয়। নামনি অসমৰ কেইবাখনো জিলাৰ প্ৰতিনিধিয়ে যোগদান কৰা ৰাজনৈতিক অভিৱৰ্তনত নতুন দল গঠনৰ সিদ্ধান্ত লোৱা হয়। বিমল কুমাৰ বৰ্মনক দলটোৰ সভাপতিৰ দায়িত্ব দিয়া হয়। বিশ্বজিৎ ৰায়ক কাৰ্যকৰী সভাপতি আৰু ভুপেন ৰায়ক সাধাৰণ সম্পাদকৰ দায়িত্ব প্ৰদান কৰা হয়। দলটোৱে আগন্তুক লোকসভা নিৰ্বাচনত নামনি অসমৰ চাৰিটাকৈ সমষ্টি আৰু বিধানসভা নিৰ্বাচনত ২৮টা সমষ্টিত প্ৰাৰ্থীত্ব প্ৰদান কৰাৰ ঘোষণা কৰে। দলটোৰ সভাপতিৰ দায়িত্ব লৈয়ে বিমল বৰ্মনে কয় যে স্বাধীনতাৰ সুদীৰ্ঘ দিন ধৰি নামনি অসমৰ জাতি-জনগোষ্ঠীসমূহে সকলো ক্ষেত্ৰতে বঞ্চিত-লাঞ্চিত আৰু উপেক্ষিত। ৰাজনৈতিকভাৱে সবল আৰু পৰিপক্ক হৈ উঠিলেহে জাতি-জনগোষ্ঠীৰ অধিকাৰৰ ক্ষেত্ৰত মাত মাতিবৰ বাবে চিন্তা চৰ্চা কৰি দল গঠন কৰা হৈছে। সুদীৰ্ঘ পৰিকল্পনাৰে নামনি অসমৰ ২৮টা বিধানসভাত ৰাজনৈতিক অধিকাৰ কাঢ়ি আনিবলৈ কাম কৰি যোৱাৰ পৰিকল্পনা কৰা বুলিও কয় বিমল বৰ্মনে।

## ৰাম মন্দিৰ সন্দৰ্ভত কৰা মন্তব্যৰ দিলে প্ৰত্যুত্তৰ

# আজমলক ৰাম নাম জপ কৰিবলৈ পৰামৰ্শ দিলে মুখ্যমন্ত্ৰীয়ে!

**ই-সংবাদ, ৭ জানুৱাৰীঃ** ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ দিনটোক লৈ ইউডিএফ প্ৰধান তথা ধুবুৰীৰ সাংসদ বদৰুদ্দিন আজমলে বিতৰ্কিত মন্তব্য প্ৰদান কৰি উক্ত দিনটোত মুছলমানক ঘৰতে থকাৰ আহ্বান জনাইছিল৷ বদৰুদ্দিন আজমলৰ এনে বিতৰ্কিত মন্তব্যৰ প্ৰত্যুত্তৰ দিছে মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মাই৷ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘৰতে বহি ৰামৰ আৰাধনা কৰিবলৈ বদৰুদ্দিন আজমলক পৰামৰ্শ দিছে৷ মুখ্যমন্ত্ৰীয়ে কয় যে আজমলে কিয় ৰে'লত যাত্ৰা কৰিব লাগে৷ এই দিনকেইটাত ঘৰত বহি ৰামক আৰাধনা কৰি আধ্যাত্মিক হৈ থাকিব লাগে। এই কেইদিন সমগ্ৰ দেশ ৰামময় হৈ থাকিব। আনহাতে বিজেপিক মুছলমানৰ শত্ৰু বুলি কৈছিল বদৰুদ্দিন আজমলে৷ এই কথাৰো প্ৰত্যুত্তৰ দি মুখ্যমন্ত্ৰীয়ে কয় যে ভালেই হ'ল শত্ৰু বুলি কৈছে, বন্ধু হ'বলৈ কোনে কৈছে বুলি বদৰুদ্দিন আজমলক কটাক্ষ কৰে মুখ্যমন্ত্ৰীয়ে৷ আজমলৰ এনে মন্তব্য প্ৰদানৰ পাছতে আজমল বিৰুদ্ধে সাম্প্ৰদায়িক সংঘৰ্ষ লগোৱাৰ ষড়যন্ত্ৰ কৰাৰ অভিযোগ উত্থাপন হৈছে৷ যি মন্তব্যই অসমৰ সামাজিক পৰিৱেশ বিঘ্নিত কৰিব পাৰে৷ ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ সময়ত ২০-২৫ জানুৱাৰীলৈ মুছলমানক ঘৰত থকাৰ পৰামৰ্শ দিয়াৰ লগতে ৰে'লত ভ্ৰমণ নকৰিবলৈ আহ্বান জনাইছিল বিতৰ্কিত আজমলে। আজমলে কয় যে 'আমাৰ মুছলমান ভাইসকলে ২০-২৫ জানুৱাৰীলৈ ৰে'লত ভ্ৰমণ নকৰিব। ৰাম জন্মভূমিৰ মূৰ্তি ৰখা হ'ব, ৰামৰ মূৰ্তি ৰখা হ'ব, গোটেই পৃথিৱীয়ে চাই থাকিব। বিজেপিৰ পৰিকল্পনা ডাঙৰ। আমি শান্তি-সম্প্ৰীতি বজাই ৰাখিব লাগিব৷ লগতে আজমলে বিজেপিক মুছলমানৰ শত্ৰু বুলি অভিহিত কৰি মুছলমানৰ প্ৰাণৰ শত্ৰু, ভাতৰ শত্ৰু, আজানৰ শত্ৰু, মাদ্ৰাছাৰ শত্ৰু, মছজিদৰ শত্ৰু আৰু ইছলামিক আইনৰ শত্ৰু বুলি কয় অভিযোগ উত্থাপন কৰিছিল৷

# বিজেপি শাসিত মধ্যপ্ৰদেশত আশ্ৰয় গৃহৰ পৰা নিৰুদ্দেশ ২৬ যুৱতী

## মুখ্যমন্ত্ৰী মোহন যাদৱলৈ প্ৰাক্তন মুখ্যমন্ত্ৰীৰ পত্ৰ

**ভুপাল, ৭ জানুৱাৰীঃ** বিজেপিয়ে পুনৰ মধ্যপ্ৰদেশত চৰকাৰ গঠনৰ পাছতে আশ্ৰয় গৃহৰ পৰা ২৬গৰাকী কন্যা সন্ধানহীন হৈ থকাৰ অভিযোগে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে৷ মধ্য প্ৰদেশৰ ভুপালৰ তাৰাচেৱানিয়াত ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা আয়োগ চলোৱা অভিযানত এই কথা পোহৰলৈ আহিছে৷ তাৰ পাছতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়৷ ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা আয়োগৰ অধ্যক্ষ প্ৰিয়ংক কানুংগোৱে এক্সত প্ৰকাশ কৰিছে যে মধ্য প্ৰদেশৰ ভুপালৰ তাৰাচেৱানিয়াত ৰাজ্যিক শিশু আয়োগৰ অধ্যক্ষৰ সৈতে মিছনাৰীৰ দ্বাৰা পৰিচালিত এটা অবৈধ শিশু গৃহ যুটীয়াভাৱে পৰিদৰ্শন কৰিছিল। কাম কৰি থকা এনজিঅ'টোৱে শেহতীয়াকৈ চৰকাৰী সংস্থাৰ দৰে চাইল্ডলাইন অংশীদাৰ হিচাপে কাম কৰি চৰকাৰী প্ৰতিনিধি হিচাপে কাম কৰি আছে বুলি কয়৷ কিন্তু ৰাস্তাৰ পৰা উদ্ধাৰ কৰা শিশুসকলক চৰকাৰক অৱগত নকৰাকৈ এই শিশু গৃহই গোপনে ৰখা হৈছিল৷ কন্যাসকলক খ্ৰীষ্টান ধৰ্ম পালন কৰিবলৈ বাধ্য কৰা হৈছে। ৬ ৰ পৰা ১৮ বছৰ বয়সৰ ৪০ গৰাকীতকৈও অধিক কন্যা বেছিভাগ হিন্দু। এই তথ্য পোহৰলৈ অহাৰ পাছতে মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱেও প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে৷ মোহন যাদৱে কয় যে নিৰুদ্দেশ হোৱা আশ্ৰয় গৃহৰ ২৬ জন কন্যা সুৰক্ষিত। বিষয়াসকলক অবৈধভাৱে চলি থকা প্ৰতিষ্ঠানসমূহৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছো। মুখ্যমন্ত্ৰীৰ প্ৰতিক্ৰিয়াৰ পাছতে ৰাজ্যৰ আৰক্ষীয়ে কয় যে ভুপালৰ পাৰৱালিয়া অঞ্চলৰ এটা আশ্ৰয় গৃহৰ পৰা কন্যা নিৰুদ্দেশ হোৱাৰ অভিযোগত এটা গোচৰ ৰুজু কৰা হৈছে। মুখ্যমন্ত্ৰী যাদৱে এক্সত পোষ্ট দি কয় যে কন্যাসকল সুৰক্ষিত। ইন্দোৰৰ পৰা ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে জ্যেষ্ঠ বিষয়াসকলক অনুমতি আৰু পঞ্জীয়ন অবিহনে চলি থকা শিশু গৃহসমূহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছো৷ বৃহস্পতিবাৰে বিভাগীয় বিষয়া ৰাম গোপাল যাদৱৰ অভিযোগৰ ভিত্তিত আৰক্ষীয়ে অবৈধভাৱে শিশু গৃহ চলাই থকা অনিল মেথিউ নামৰ লোকজনৰ বিৰুদ্ধে এখন এজাহাৰ পঞ্জীয়ন কৰিছিল। বিষয়া যাদৱে দাবী কৰিছিল যে মেথিউৱে কেন্দ্ৰ চলাবলৈ পঞ্জীয়ন প্ৰমাণপত্ৰ দেখুৱাব পৰা নাছিল৷ ৬৮ গৰাকী যুৱতীৰ ভিতৰত ২৬ গৰাকী কেন্দ্ৰৰ পৰা সন্ধানহীন আছিল। ভুপাল জিলা গ্ৰাম্য আৰক্ষী অধীক্ষক প্ৰমোদ কুমাৰ সিঙে কয় যে নিৰুদ্দেশ হোৱা সকলো কন্যা সুৰক্ষিত আৰু পৰিয়ালৰ সৈতে আছে। ইফালে, এই ঘটনাক লৈ আক্ৰমণাত্মক হৈ পৰিছে বিৰোধী কংগ্ৰেছ।

# দেশত ক্ৰমাৎ বাঢ়িছে অনলাইন জালিয়াতিৰ গোচৰ

## ফোনকলেৰেই কোটি কোটি হৰলুকী

**নতুন দিল্লী, ৭ জানুৱাৰীঃ** দেশত বাঢ়িছে অনলাইন জালিয়াতিৰ গোচৰ। এটা মাত্ৰ ভুৱা ফোন কলে নিমিষতে খালী কৰিব পাৰে গ্ৰাহকৰ বেংক একাউণ্ট। ইতিমধ্যেই অনলাইন প্ৰৱঞ্চকৰ বলি হৈ সৰ্বস্ৰান্ত হৈছে বহু লোক। কিন্তু এইবাৰ প্ৰৱঞ্চনাৰ বলি নহয়, বৰং নিজৰ বুদ্ধিমত্তাৰে প্ৰৱঞ্চকৰ চেষ্টা বিফল কৰিবলৈ সক্ষম হ'ল মুম্বাইৰ এগৰাকী যুৱতীয়ে। তাৰ পিছতে সামাজিক মাধ্যমত নিজৰ এই ভয়ংকৰ অভিজ্ঞতাৰ কথা শ্বেয়াৰ কৰি ইউপিআই ভুৱা কলৰ পৰা আনকো সাৰধান হ'বলৈ সকিয়াই দিয়ে যুৱতীগৰাকীয়ে। যুৱতীগৰাকীয়ে লিখিছে, "অ' মাই গড, শেহতীয়াকৈ এজনে মোক ইউপিআইৰ জৰিয়তে প্ৰৱঞ্চনা কৰিবলৈ চেষ্টা কৰিছিল।" তেওঁ কয় যে এজন ব্যক্তিয়ে তেওঁক ফোন কৰি কয় যে তেওঁৰ পিতৃয়ে ব্যক্তিজনক তেওঁৰ নম্বৰটো আছিল। ব্যক্তিজনে কয় যে যুৱতীগৰাকীৰ পিতৃক তেওঁ এল আই চি পলিচীৰ বাবে ৫ হাজাৰ টকা দিব লাগে। কিন্তু যিহেতু যুৱতীগৰাকীৰ পিতৃয়ে ভাৰ্চুৱেল পেমেণ্ট মোড ব্যৱহাৰ নকৰে, সেয়েহে ইউ পি আইযোগে যুৱতীগৰাকীকে সেই টকাখিনি দিব বিচৰা বুলি মন্তব্য কৰে ফোনৰ সিটোপাৰে থকা ব্যক্তিজনে। ইয়াৰ পিছত সেই ব্যক্তিজনক বিশ্বাস কৰি সহায় কৰিবলৈ মান্তি হয় যুৱতীগৰাকী। কিছুসময় সময় পিছত ফোনকৰ্তাই যুৱতীগৰাকীক পেমেণ্ট লাভ কৰাটো নিশ্চিত কৰিবলৈ দি কয় যে তেওঁ ভুলতে ৫ হাজাৰৰ ঠাইত ৫০ হাজাৰ টকা প্ৰেৰণ কৰিছে। যাৰ বাবে বাকী ৪৫ হাজাৰ টকা যুৱতীগৰাকীৰ পৰা ঘূৰাই বিচাৰে। কিন্তু এই কথা শুনি যুৱতীগৰাকীৰ সন্দেহ হোৱাত গুগল পে' খুলি বেলেন্স পৰীক্ষা কৰাত দেখে যে পেমেণ্ট লাভৰ নটিফিকেশ্যন লাভ কৰিছে ঠিকেই, কিন্তু একাউণ্টত তেওঁৰ এটকাও সোমোৱা নাই। ইয়াৰ পিছতে ফোনকৰ্তাৰ চলনা বুজিব পাৰি যুৱতীগৰাকীয়ে দেউতাক অহালৈ ব্যক্তিজনক অপেক্ষা কৰিবলৈ কয়। তেওঁ কয়, "মই এই ইছ্যুটো সমাধানৰ বাবে আপোনাক দেউতাৰ নম্বৰৰ পৰা ফোন কৰিম, দেউতা অহালৈ অপেক্ষা কৰক।" কিন্তু ফোনকৰ্তাই আৰু অপেক্ষা নকৰিলে। যুৱতীগৰাকীৰ ফান্দত পেলাব নোৱাৰো বুলি বুজিব পাৰি একপ্ৰকাৰ সন্ধানহীন হৈ পৰে প্ৰৱঞ্চক ফোনকৰ্তা। এইদৰেই বেংকৰ জমাধন হেৰুওৱাৰ পৰা ৰক্ষা পৰে যুৱতীগৰাকীও।

# সোণোৱালৰ জাতি ৰক্ষাৰ ভাষণ কেৱল ক্ষমতা প্ৰাপ্তিৰ আধাৰ আছিল!

## অজাপ নেতা জগদীশ ভূঞাৰ ফেচবুক পোষ্টক লৈ চাঞ্চল্য

**ই-সংবাদ, গুৱাহাটী, ৭ জানুৱাৰীঃ** মুখ্যমন্ত্ৰী হৈ সৰ্বানন্দ সোণোৱালে অসম চুক্তিৰ দফাসমূহ কাৰ্যকৰী কৰিব নোৱাৰাত আক্ষেপ প্ৰকাশ কৰিছে অসম জাতীয় পৰিষদৰ নেতা জগদীশ ভূঞাই৷ জগদীশ ভূঞাই বিধায়ক হৈ থকাৰ কালত বিধানসভাত উত্থাপন কৰা এটা প্ৰশ্নৰ কপি উত্থাপন কৰি এই অভিযোগ উত্থাপন কৰিছে৷ জগদীশ ভূঞাই ফেচবুকত দিয়া এটা পোষ্ট অনুসৰি ২০০৩ চনত অসম চুক্তিৰ ৬নং দফা কাৰ্যকৰী কৰি অসমীয়া মানুহক ভাষিক, সাংস্কৃতিক আৰু ৰাজনৈতিক ৰক্ষা কৱচ প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাক প্ৰস্তাৱ দিবলৈ সাজু হৈছিল৷ সেই কথা অৱগত হৈ তেতিয়াৰ একেই অগপৰ বিধায়ক সৰ্বানন্দ সোণোৱালে জগদীশ ভূঞাৰ কাষলৈ যায়৷ সেই প্ৰস্তাৱ প্ৰত্যক্ষ কৰি সৰ্বানন্দ সোণোৱালে সমৰ্থন কৰি সেই প্ৰস্তাৱত স্বাক্ষৰ কৰিছিল৷ কিন্তু সেইগৰাকী সৰ্বানন্দ সোণোৱালে মুখ্যমন্ত্ৰী হোৱাৰ পাছতো অসম চুক্তিৰ দফাসমূহ কাৰ্যকৰি কৰিবলৈ কোনো ব্যৱস্থা নোলোৱা বুলি কৈ আক্ষেপ কৰে ভূঞাই৷ জগদীশ ভূঞাই ফেচবুক পোষ্টত লিখিছে "২০০৩ চনৰ কথা৷ মই বিৰোধী পক্ষৰ বিধায়ক। প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালো মোৰ একে দলৰে সতীৰ্থ বিধায়ক। এদিন বিধানসভাৰ অধিবেশনত উপস্থাপন কৰাৰ বাবে অসম চুক্তিৰ ৬ নং দফা কাৰ্যকৰী কৰি অসমীয়া মানুহক ভাষিক, সাংস্কৃতিক আৰু ৰাজনৈতিক ৰক্ষা কৱচ প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰক দাবী জনাই সংকল্প প্ৰস্তাৱ এটা সাজু কৰি আছিলো৷ তেনেতে সোণোৱাল আহি ওলাল আৰু সোণোৱালে মোৰ প্ৰস্তাৱটো চাই ক'লে যে, ভাল প্ৰস্তাৱ আনিছা মইও চহী কৰিম৷ মই ভালেই পালো, সোণোৱালেও চহী কৰিলে। সেইজন সোণোৱাল এদিন ৰাজ্যৰ মুখ্যমন্ত্ৰী হ'ল। সাংবিধানিক ৰক্ষা কৱচৰ পৰামৰ্শ বিশেষজ্ঞ সমিতিয়ে তেওঁৰ হাতত জমা দিলে৷ কিন্তু সেইজন সোণোৱালে নিজৰ মুখ্যমন্ত্ৰীত্বৰ কাৰ্যকালত সেই পৰামৰ্শ দিল্লীলৈ পঠিয়াবলৈও সক্ষম নহ'ল। জাতি ৰক্ষাৰ উদ্দাত্ত ভাষণ কেৱল ক্ষমতা প্ৰাপ্তিৰ আধাৰ নেকি? পুৱাৰ পৰা তাকেই ভাবি আছো।"

# ভাৰতক লৈ ঘৃণাসূচক মন্তব্য কৰা মালদ্বীপৰ তিনি মন্ত্ৰীক নিলম্বন

## নৰেন্দ্ৰ মোদীক লৈ কৰিছিল আপত্তিজনক টুইট

**নতুন দিল্লী, ৭ জানুৱাৰীঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শেহতীয়া লক্ষদ্বীপ ভ্ৰমণৰ সময়ত সাগৰৰ পাৰত ভ্ৰমণ কৰি সামাজিক মাধ্যম যোগে ফটো শ্বেয়াৰ কৰিছিল৷ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰ্যটকক লক্ষদ্বীপলৈ আমন্ত্ৰণ জনাইছিল৷ ভাৰতৰ বহু ছ'চিয়েল মিডিয়া ব্যৱহাৰকাৰীয়ে লক্ষদ্বীপক মালদ্বীপৰ সৈতে তুলনা কৰাত ক্ষুব্ধ হয় মালদ্বীপৰ শাসকীয় দল প্ৰগ্ৰেছিভ পাৰ্টিৰ নেতা জাহিদ ৰমিজ৷ ৰমিজে এক্সত এটা পোষ্ট দি কয় যে এইটো এটা ভাল পদক্ষেপ। অৱশ্যে, আমাৰ সৈতে প্ৰতিযোগিতা কৰাৰ ধাৰণা বিভ্ৰান্তিকৰ। আমি প্ৰদান কৰা সেৱা তেওঁলোকে কেনেকৈ প্ৰদান কৰিব? তেওঁলোক ইমান পৰিষ্কাৰ হ'ব পাৰিব কেনেকৈ? কোঠাবোৰৰ গোন্ধ আটাইতকৈ ডাঙৰ। মালদ্বীপৰ মন্ত্ৰী আব্দুল্লাহ মাহজুম মজিদেও এক্সত বিতৰ্কিত পোষ্ট দিয়ে। মালদ্বীপৰ মন্ত্ৰী জাহিদ ৰমিজ আৰু আব্দুল্লাহ মাহজুম মজিদৰ লক্ষদ্বীপৰ পৰ্যটনক লৈ বিতৰ্কিত মন্তব্য প্ৰদান কৰাৰ পাছতে দুয়োদেশৰ সামাজিক মাধ্যমৰ সংঘৰ্ষ বৃদ্ধি পায়৷ তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হোৱাত বিতৰ্কিত মন্তব্য প্ৰদান কৰা মালদ্বীপৰ মন্ত্ৰীসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিছে দেশখনৰ চৰকাৰে। মালদ্বীপ চৰকাৰে এই বিষয়ত বিবৃতি জাৰি কৰিছে আৰু স্পষ্টীকৰণ দিছে। মালদ্বীপ চৰকাৰে কয় যে মন্ত্ৰীয়ে কৰা মন্তব্য তেওঁৰ ব্যক্তিগত মন্তব্য। এয়া চৰকাৰৰ ভাষা নহয়। বিদেশী নেতাৰ বিৰুদ্ধে মন্তব্য মন্ত্ৰীজনৰ নিজৰ মন্তব্য। মালদ্বীপৰ সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, মালদ্বীপ চৰকাৰেও তিনিজন মন্ত্ৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিছে। তিনিজন মন্ত্ৰীক নিলম্বিত কৰিছে। তাৎপৰ্যপূৰ্ণভাৱে, প্ৰধানমন্ত্ৰী মোদীৰ লক্ষদ্বীপ ভ্ৰমণৰ পিছৰে পৰা ছ'চিয়েল মিডিয়াত দুয়োখন দেশৰ জনসাধাৰণৰ মাজত সংঘাতৰ সৃষ্টি হৈছিল। প্ৰকৃততে প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমত লক্ষদ্বীপ ভ্ৰমণৰ অভিজ্ঞতা শ্বেয়াৰ কৰিছিল। যিসকলে এক ৰোমাঞ্চকৰ অভিজ্ঞতা লাভ কৰিব বিচাৰে তেওঁলোকৰ তালিকাত লক্ষদ্বীপ থাকিব লাগে। মই আনকি স্নৰকেলিং কৰাৰ চেষ্টা কৰিছিলো, এইটো কি আনন্দদায়ক অভিজ্ঞতা আছিল বুলি কয় প্ৰধানমন্ত্ৰী মোদীয়ে৷ এই পোষ্ট যথেষ্ট ভাইৰেল হৈ পৰিছিল৷ বহু ছ'চিয়েল মিডিয়া ব্যৱহাৰকাৰীয়ে লক্ষদ্বীপক মালদ্বীপৰ এক বিকল্প পৰ্যটন স্থল বুলি অভিহিত কৰিছিল। তেতিয়াই মালদ্বীপ চৰকাৰৰ মন্ত্ৰীসকলে আপত্তিজনক মন্তব্য দিবলৈ আৰম্ভ কৰে৷ মালদ্বীপ মন্ত্ৰীৰ বক্তব্যই ভাৰতীয়ই তীব্ৰ প্ৰতিবাদ কৰে। বহু চলচ্চিত্ৰ তাৰকা আৰু ক্ৰিকেটাৰে টুইট কৰি মালদ্বীপক গৰিহণা দিয়ে। চলচ্চিত্ৰ তাৰকা অক্ষয় কুমাৰে এক্সত লিখিছিল যে মালদ্বীপৰ বিশিষ্ট ব্যক্তিসকলৰ দ্বাৰা ভাৰতীয়সকলক লৈ ঘৃণনীয় আৰু বৰ্ণবাদী মন্তব্য কৰা হৈছে। আচৰিত যে তেওঁলোকৰ দেশৰ বাবে সৰ্বাধিক সংখ্যক পৰ্যটক প্ৰেৰণ কৰে ভাৰতে। আমাৰ চুবুৰীয়াসকলৰ সৈতে ভাল সম্পৰ্ক৷ কিন্তু আমি কিয় এনে অপ্ৰৰোচিত ঘৃণা সহ্য কৰা উচিত? মই বহুবাৰ মালদ্বীপ ভ্ৰমণ কৰিছো৷ সদায়ে প্ৰশংসা কৰি আহিছো৷ কিন্তু মৰ্যাদা প্ৰথমে আহে। আহক আমি ভাৰতীয় দ্বীপসমূহ আৱিষ্কাৰ কৰো।

# জিলা আয়ুক্তৰ সাংবাদিক নিগ্ৰহৰ বিৰুদ্ধে গুৱাহাটী প্ৰেছ ক্লাবত প্ৰতিবাদ



**ই-সংবাদ, ৭ জানুৱাৰীঃ** নগাঁও জিলাৰ আয়ুক্ত নৰেন্দ্ৰ শ্বাহে নিজ কাৰ্যালয়তে সাংবাদিক দীপাংকৰ মেধিক প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপন পাছতে ৰাজ্যৰ সাংবাদিক সংগঠনে প্ৰতিক্ৰিয়া ব্যক্ত কৰি ঘটনাক তীব্ৰ গৰিহণা প্ৰদান কৰি আহিছে৷ সাংবাদিক সংগঠনসমূহে ঘটনাৰ উচিত তদন্ত দাবী কৰি জিলা আয়ুক্ত নৰেন্দ্ৰ শ্বাহক শাস্তি প্ৰদানৰ দাবী জনায়৷ গুৱাহাটী প্ৰেছ ক্লাবে ঘটনাক গৰিহণা দি তদন্ত যোগে নৰেন্দ্ৰ শ্বাহক শাস্তি প্ৰদানৰ দাবী উত্থাপন কৰি ৭ জানুৱাৰীৰ দিনৰ ১২ বজাত প্ৰতিবাদ সাব্যস্ত কৰে৷ গুৱাহাটী প্ৰেছ ক্লাবৰ সন্মুখত গুৱাহাটী প্ৰেছ ক্লাবে ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ জনায়৷ গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি সুস্মিতা গোস্বামী আৰু সাধাৰণ সম্পাদক সঞ্জয় ৰায়ে কয় যে সাংবাদিক দীপাংকৰ মেধিক অপদস্থ কৰাৰ ঘটনাৰ বিৰুদ্ধে এই প্ৰতিবাদ সাব্যস্ত কৰা হয়৷ সাংবাদিকগৰাকীৰ ওপৰত হোৱা নিৰ্যাতনৰ ঘটনাৰ উচিত তদন্ত আৰু সাংবাদিকৰ সুৰক্ষা নিশ্চিত কৰাৰ দাবীত সাব্যস্ত কৰা প্ৰতিবাদী কাৰ্যসূচীত গুৱাহাটীৰ বহু সাংবাদিক আৰু সংবাদকৰ্মীক উপস্থিত থকা দেখা যায়৷

# মাঘ বিহুত উজনিৰ খৰি অনা বিশেষ পৰম্পৰা

**পলাশ দাস**

"খৰিৰ ভাৰ লৈ শাৰী শাৰীকৈ ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ পৰা গাঁৱৰ মাজেৰে মুকলি পথাৰলৈ আহে। তাত ভেলা ঘৰ সজা হয় আৰু গাঁৱৰ পুৰুষ মহিলা একত্ৰিত হৈ সেইদিনা সম্প্ৰীতিৰ ভোজ খায়।"



**আদিম যুগৰ** পৰা অসমত পুহ আৰু মাঘ বিহুৰ সংক্ৰান্তিৰ দিনা মাঘ বিহু উৎসৱ পালন কৰি আহিছে। মাঘ বিহুৰ গুৰুত্বপূৰ্ণ অংশ দুটা হৈছে উৰুকা আৰু মেজি জ্বলোৱা। অসমৰ মাঘ বিহু উদ্‌যাপিত হৈ থকা সময়ছোৱাত ভাৰতৰ অন্যান্য জাতি-জনগোষ্ঠীৰ মাজতো অগ্নি পূজা চলি থকা দেখিবলৈ পোৱা যায়।

বঙালী আৰু উড়িয়াসকলে মাঘ বিহুক পৌষ সংক্ৰান্তি বুলি কয়। তামিলসকলে 'পুংগল' নামেৰে এক ভোগৰ উৎসৱ পালন কৰে। পৌষ সংক্ৰান্তিত চাহ জনগোষ্ঠীসকলে উদযাপন কৰা 'টুচু পৰৱ" অগ্নিৰ লগত জড়িত।

অসমৰ বিভিন্ন প্ৰান্তত মাঘ বিহু উদযাপন পৰম্পৰাগত ৰীতি নীতি অনুসৰি বিভিন্ন ধৰণেৰে অতীজৰ পৰা পালন কৰি আহিছে। ডিব্ৰুগড়ৰ জিলাৰ অন্তৰ্গত ৰহমৰীয়া বৰতিচুক কৈৱৰ্ত গাঁৱত স্মৰণাতীত দিনৰেপৰা এক ব্যতিক্ৰমী পৰ্ব পালন কৰি আহিছে। যিটো অসমৰ ভিতৰতে একক আৰু অনন্য। এই পৰম্পৰা হৈছে গাঁৱৰ সকলো লোক একগোট হৈ সদলবলে নান্দনিক ৰূপত খৰি অনা পৰম্পৰা।

অসমৰ বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতিক বিশেষ মাত্ৰা প্ৰদান কৰা এই পৰম্পৰা অনুসৰি গাঁৱৰ প্ৰতিটো ঘৰৰ প্ৰতিজন যুৱকে এভাৰ এভাৰকৈ খৰি আনি ব্ৰহ্মপুত্ৰৰ পাৰলৈ কঢ়িয়াই লৈ আনে য'ত সকলো ৰাইজ সমবেত হয়। কৈৱৰ্ত সমাজৰ বৈষ্ণৱ ৰীতি-নীতি অনুসৰি পাণ-তামোলৰ শৰাই আগবঢ়োৱা হয়।

একতা, সম্প্ৰীতিৰ এনাজৰী গঢ়ি সকলো যুৱকে কান্ধত খৰিৰ ভাৰ লৈ শাৰী শাৰীকৈ ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ পৰা গাঁৱৰ মাজেৰে মুকলি পথাৰলৈ আহে। তাত ভেলা ঘৰ সজা হয় আৰু গাঁৱৰ পুৰুষ মহিলা একত্ৰিত হৈ সেইদিনা সম্প্ৰীতিৰ ভোজ খায়।

যুৱকসকলে খৰিবোৰ বনাঞ্চল ধ্বংস কৰি, গছ কাটি যে লৈ আহে তেনে নহয়। খৰিবোৰ নদীৰ বালি চৰত থকা আৰু নিজ নিজ ঘৰৰ বাৰীত থকা গছৰ টুকুৰা টুকুৰ খৰি সংগ্ৰহ কৰি খৰি ভাৰ প্ৰস্তুত কৰে। শতাধিক খৰিৰ ভাৰ লৈ অনা দৃশ্যটি দৃষ্টিনন্দন হৈ পৰে।

# জোনবাই আৰু পাকঘৰ

চমুটোকা ।। **ডঃ ত্ৰিৱেণী**

(১) জোনবাইক লৈ যে ক'ত সাধু, গান, কবিতা! জড়িত হৈ আছে ধৰ্মীয় বিশ্বাসো। অথচ জোনবাইৰ বিষয়ে ভালদৰে নাজানি, নুবুজি ইমান দূৰৰ পৰাই আমি কওঁ, চন্দ্ৰটো কলংক থাকে, মানুহৰ নো কি? এয়া বিশ্বাস, সান্ত্বনা নে ধাৰণা নাজানো, নুবুজোঁ!

জোনবাইক দূৰৰ পৰাই ভাল পাওঁ। জোনবাইৰ দেশ খন ভাল পাওঁ। মৃত্যুৰ পাছত জোনবাইক এবাৰ হেঁপাহ পলুৱাই ওচৰৰ পৰা চাবৰ মন। সুধিবৰ মন এই যে দাগ টো কিহৰ, শৰীৰৰ নে মনৰ? কাৰণ জোনবাইৰ কলংক মই সহিব নোৱাৰো। দাগ এটা যন্ত্ৰণা, উশাহ ল'বলৈ কষ্ট হোৱাকৈ এক বেদনা, চেপা উত্তেজনা।

(২) আজি ত্ৰিশটা বছৰে যিটো পাকঘৰত মোৰ আধিপত্য চলিছিল, বোৱাৰীজনী অহাৰপৰা সেয়া যেন কমি আহিবলৈ ধৰিলে। পাকঘৰটোত তাই সোমাল। তাই ৰন্ধা আহাৰ বাপেক-পুতেকে ভাল হোৱা বুলি ক'লে। মই ভাল পোৱাৰ পৰিবৰ্তে ভিতৰি দগ্ধ হ'ব ধৰিলো। ভয় হয় জানোচা মোৰ বোৱাৰীয়ে মোক, মোৰ অধিকাৰক নিঃশেষ কৰি দিয়ে। মই হেৰুৱাই পেলাম নেকি মোৰ পাকঘৰৰ ৰাজ্য! মোৰ অস্তিত্ব, মোৰ প্ৰয়োজন, মোৰ অধিকাৰ। এই ভয়, এই সন্দেহ, এই জেদ, এই হিংসাই আজি অলপ দিনৰ পৰা মোক মানসিক ৰোগীলৈ পৰিণত কৰিছে।

আজি মই শয্যাশায়ী। মোৰ বোৱাৰীয়ে মোক আলপৈচান ধৰিছে। তাইৰ বৰ কষ্ট হৈছে। মই হেনো টোপনিতে আজিকালি প্ৰলাপ বকো, পাকঘৰ, পা ক ঘ ৰ... এৰা মোৰ বাবে পাকঘৰ যেন এখন ৰাজ্য, চিনাকি ৰাজ্য। ৰজা মই, একছত্ৰী ৰজা!

# ব্ৰহ্মপুত্ৰৰ বুকুত সন্ধানহীন জোৱান কুশল কলিতাৰ মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, ৭ জানুৱাৰীঃ** দক্ষিণ শালমাৰা মানকাচৰ জিলাত ব্ৰহ্মপুত্ৰৰ বুকুত পৰি নিৰুদ্দেশ হোৱা অসম আৰক্ষীৰ জোৱান কুশল কলিতাৰ মৃতদেহ উদ্ধাৰ হৈছে। উচ্চপদস্থ আৰক্ষী বিষয়াৰ সৈতে নদীৰ বুকুৰে নাৱেৰে যাত্ৰা কৰাৰ সময়তে ফকিৰগঞ্জৰ কাছাৰীপাৰাত জোৱান কুশল কলিতা নাৱৰ পৰা পৰি গৈছিল। ৭ জানুৱাৰীৰ পুৱাৰ ভাগত এই ঘটনা সংঘটিত হোৱাৰ পাছতে উদ্ধাৰকাৰী দলে অভিযান চলাই কেইবা ঘণ্টাৰ অন্তত নদীৰ বুকুৰ পৰা মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, আজি পুৱা দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ আৰক্ষী অধীক্ষক, উপ-আৰক্ষী অধীক্ষকসহ আৰক্ষীৰ এটা দলে ফকিৰগঞ্জ থানাৰ পৰা বন্দিহানা আৰক্ষী চকীলৈ ইঞ্জিনচালিত নাৱত ব্ৰহ্মপুত্ৰৰ বুকুৰে যাত্ৰা কৰিছিল। যাত্ৰা কৰি থকাৰ সময়তে হঠাতে নদীৰ বুকুত পৰি কলিতা সন্ধানহীন হয়। আৰক্ষী আৰু উদ্ধাৰকাৰী দলে অভিযান চলাই কেইবাঘণ্টাৰ মূৰত জোৱানজনৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। জোৱান কলিতা দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ উপ-আৰক্ষী অধীক্ষকৰ দেহৰক্ষী আছিল।



# সোমবাৰে ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদৰ ভোটগ্ৰহণ, বিজেপি প্ৰাৰ্থীক আটক

**ই-সংবাদ, ৭ জানুৱাৰীঃ** ৮ জানুৱাৰীত ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদৰ ভোটদান অনুষ্ঠিত হ'ব। ইতিমধ্যে ডিমা হাচাও জিলাৰ প্ৰশাসন ইতিমধ্যে সাজু হৈছে। পোলিং, ৰিটাৰ্নিং, প্ৰিজাইডিং বিষয়াসকলে ইতিমধ্যে ভোটগ্ৰহণ কেন্দ্ৰসমূহত উপস্থিত হৈছে। স্পৰ্শকাতৰ ভোট কেন্দ্ৰত নিৰাপত্তাৰক্ষী মোতায়েন কৰিছে প্ৰশাসনে। ভোটগ্ৰহণ শান্তিপূৰ্ণ ভাবে অনুষ্ঠিত কৰিবলৈ সকলো ব্যৱস্থা কৰাৰ সময়তে হোজাইত এজন বিজেপি প্ৰাৰ্থীক আৰক্ষীয়ে আটক কৰিছে আৰক্ষীয়ে। বিজেপি প্ৰাৰ্থী মনজয় লাংথাচাক আজি হোজাই আৰক্ষীয়ে ১১ লাখ ৫০ হাজাৰ টকাৰ নগদ ধন কঢ়িয়াই নিয়াৰ সময়তে আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে হাফলঙৰ পৰা অহা বাহন দুখনত তালাচী চলাই দুয়োখন বাহনৰ পৰা নগদ ধন উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ মতে, বাহন দুখন হাফলঙৰ পৰা গুৱাহাটী অভিমুখে গৈ আছিল। লাংথাচাক আৰক্ষীয়ে আন চাৰিজন লোকৰ সৈতে আটক কৰি বাহন দুখনো জব্দ কৰে। বিনা প্ৰতিদ্বন্দ্বিতাত বিজয়ী ঘোষণা হোৱা ছয় বিজেপি প্ৰাৰ্থীৰ ভিতৰত মনজয় লাংথাচাও এজন। ছয়খন আসনত জয়লাভ কৰা গেৰুৱা দলৰ প্ৰাৰ্থীয়ে নগদ ধন কঢ়িয়াই আটক হোৱাত চাঞ্চল্যৰ সৃষ্টি হৈছে। শাসকীয় দলে আচৰণ বিধি উলংঘা কৰি পৰিষদৰ নিৰ্বাচনত বিভিন্ন স্থানত ধন বিতৰণ কৰাৰ অভিযোগ উত্থাপন হৈছে। উল্লেখ্য যে, পৰিষদীয় নিৰ্বাচনৰ ভোটদান ৮ জানুৱাৰীৰ পুৱা ৮ বজাৰ পৰা আবেলি ৪ বজালৈ অনুষ্ঠিত হ'ব। ১২ জানুৱাৰীত অনুষ্ঠিত হ'ব ভোটগণনা।

# নিৰ্বাচনী সমিতি ঘোষণা কংগ্ৰেছৰ

**ই-সংবাদ, গুৱাহাটী, ৭ জানুৱাৰীঃ** সৰ্বভাৰতীয় কংগ্ৰেছে আজি লোকসভা নিৰ্বাচনৰ বাবে ৩৮ জনীয়া অসমৰ নিৰ্বাচনী সমিতি ঘোষণা কৰে। সৰ্বভাৰতীয় কংগ্ৰেছৰ সাধাৰণ সম্পাদক কে.চি বেণুগোপালে ঘোষণা কৰা সমিতি অনুসৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক নিৰ্বাচনী মুৰব্বী তথা অধ্যক্ষৰ দায়িত্ব প্ৰদান কৰা হয়। উপাধ্যক্ষৰ দায়িত্ব প্ৰদান কৰা হৈছে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াক। অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী, সেৱা দলৰ ৰাজ্যিক সভাপতি, যুৱ কংগ্ৰেছৰ ৰাজ্যিক সভাপতি আৰু এনএছইউআইৰ ৰাজ্যিক সভাপতিক সমিতিত সদস্য কৰা হৈছে। লগতে নিৰ্বাচনী সমিতিৰ সদস্য কৰা হয় সাংসদ গৌৰৱ গগৈ, প্ৰদ্যুৎ বৰদলৈ, আব্দুল খালেক, প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইন, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পৱনসিং ঘাটোৱাৰ, প্ৰাক্তন মন্ত্ৰীৰাণা গোস্বামী, বিধায়ক কমলাক্ষ দে' পুৰকায়স্থ, জাকিৰ হুছেইন শিকদাৰ, ৱাজেদ আলী চৌধুৰী, প্ৰণতি ফুকন, নন্দিতা দাস, অকণ বৰা, ববিতা শৰ্মা, ৰজলিনা তিৰ্কী, হিৰণ্য বৰা, দ্বীজেন শৰ্মা, অজিত সিং, ৰাণী নৰহ, নৱ কুমাৰ তালুকদাৰ, বীৰেনছিং ইংতি, বিপুল গগৈ, বসন্ত দাস, দুৰ্গা ভূমিজ, এতোৱা মুণ্ডা, নিৰ্মল লাংথাচা, প্ৰবীণ বড়ো, জয়ন্ত কলিতা, গৰ্জন মুছাহাৰী, হেমহৰি পেগু, শৈলেন সোণোৱাল, কৰ্ণবাহাদুৰ ছেত্ৰী, পল্লৱী গগৈ, মেহদী আলম বৰা, আবুচালেহ নিজামুদ্দিন, যাদৱ স্বৰ্গীয়াৰী আৰু প্ৰদীপ সৰকাৰক। এই কমিটি গঠনৰ পিছতে প্ৰদেশ কংগ্ৰেছৰ ভিতৰচ'ৰাত প্ৰাৰ্থিত্বক লৈ জল্পনা-কল্পনা আৰম্ভ হৈছে।

শেষ পৃষ্ঠা

# ৰোহিত-বিৰাটৰ প্ৰত্যাৱৰ্তন

## সূৰ্যকুমাৰক বাদ

**মুম্বাই, ৭ জানুৱাৰীঃ** আফগানিস্তানৰ বিৰুদ্ধে ঘৰৰ মাটিত খেলিব লগীয়া টি-২০ শৃংখলাৰ বাবে আজি ভাৰতীয় দল ঘোষণা কৰা হয়। তিনিখন মেছৰ শৃংখলাটোত ভাৰতে আগুন্তুক টি-২০ বিশ্বকাপৰ প্ৰস্তুতি চলাব। মুখ্য নিৰ্বাচক অজিত আগাৰকাৰে আজি ঘোষণা কৰা দলটোত বিৰাট কোহলী আৰু ৰোহিট শৰ্মাৰ প্ৰত্যাৱৰ্তন ঘটিছে। ইয়াৰ বিপৰীতে আঘাতৰ বাবে দলৰ পৰা বাদ পৰিছে হাৰ্দিক পাণ্ডিয়া আৰু সূৰ্যকুমাৰ যাদব। শুভমন গিল আৰু সঞ্জু চামছনো দললৈ উভতি আহিছে। দলটোঃ ৰোহিট শৰ্মা, শুভমন গিল, যশস্বি জয়ছোৱাল, বিৰাট কোহলী, টিলক বাৰ্মা, ৰিংকু সিং, জিতেশ শৰ্মা, ছঞ্জু চামছন, শিভম ডুবে, ৱাশ্বিংটন সুন্দৰ, অক্সৰ পেটেল, ৰবী বিষ্ণয়, কুলদীপ যাদৱ, আৰ্শদীপ সিং অৱেশ খান আৰু মুকেশ কুমাৰ।

# নাদালৰ নাম প্ৰত্যাহাৰ

**ব্ৰীছবেন, ৭ জানুৱাৰীঃ** স্পেনিছ টেনিছ তাৰকা ৰাফেল নাদালে অষ্ট্ৰেলিয়ান অপেনৰ পৰা নাম প্ৰত্যাহাৰ কৰিছে। উৰুৰ আঘাতৰ বাবে তেওঁ এই সিদ্ধান্ত লব লগীয়া হয়। উল্লেখ্য যে বিগত বৰ্ষৰ অষ্ট্ৰেলিয়ান অপেনৰ পিছৰে পৰা কোনো প্ৰতিযোগিতা মূলক টেনিছত অংশগ্ৰহণ কৰা নাই নাদালে। এটা বছৰ পিছত অষ্ট্ৰেলিয়ান অপেনত খেলাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছিল তেওঁ। এতিয়ালৈকে ২২ টা গ্ৰেণ্ডশ্লেম খিতাপ জয় কৰা নাদালে ব্ৰীছবেন অপেনত ভাগ লৈছিল। তাতে তেওঁৰ আঘাতে উক দিয়াত তেওঁ অষ্ট্ৰেলিয়ান অপেনৰ পৰা নাম প্ৰত্যাহাৰ কৰে।



■ কামৰূপৰ মৰাণজানাত অনুষ্ঠিত হ'বলগীয়া শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৩ সংখ্যক অধিবেশনৰ প্ৰস্তুতি তুংগত

## কথমপি ৰক্ষা, জৰুৰী অৱতৰণ

# মাজআকাশত উৰন্ত বিমানৰ পৰা খুলি পৰিল দুৱাৰ

**অনলাইন ফিচাৰ্ছ, ৭ জানুৱাৰীঃ** বিমান বন্দৰৰ পৰা উৰা মৰাৰ কেইমিনিটমানৰ পিছতে বিমানৰ পৰা বিচ্ছিন্ন হৈ পৰিল বিমানৰ এখন দুৱাৰ। ইয়াৰ পিছতে তীব্ৰ আতংকই বিৰাজ কৰে যাত্ৰীসকলৰ মাজত। আলাস্কা এয়াৰলাইন্সে নিজৰ এক্স হেণ্ডেলৰ জৰিয়তে এই দুৰ্ঘটনাৰ ভিডিঅ' শ্বেয়াৰ কৰাৰ পিছতে নেটিজনসকলেও আশ্বৰ্য ব্যক্ত কৰিছে। আলাস্কা এয়াৰলাইন্সে প্ৰকাশ কৰা মতে, শনিবাৰে সন্ধিয়া পৰ্টলেণ্ডৰ পৰা কেলিফৰ্ণিয়াৰ অন্টাৰিঅ'লৈ উৰা মাৰিছিল এএছ১৮২ নম্বৰৰ বয়িং ৭৩৭-৯ মেক্স বিমানখনে। কিন্তু বিমানখনে উৰা মৰাৰ মাত্ৰ কেইমিনিটমানৰ পিছতে বিমানখনৰ এক্সিট ড'ৰখন উভালি বিমানৰ পৰা বিচ্ছিন্ন হৈ পৰে। আৰু এই ঘটনাৰ পিছতে যাত্ৰীসকলৰ মাজত আতংকময় পৰিৱেশৰ সৃষ্টি হয়। পিছত সুৰক্ষিতভাৱে বিমানখন পৰ্টলেণ্ড বিমান বন্দৰলৈ পুনৰ ওভতাই পঠিওৱা হয়। ইফালে আমেৰিকাৰ ৰাষ্ট্ৰীয় পৰিবহণ সুৰক্ষা ব'ৰ্ডে প্ৰকাশ কৰা মতে, বিমানখনৰ সৈতে সংঘটিত এই দুৰ্ঘটনাৰ তদন্ত আৰম্ভ কৰা হৈছে। উল্লেখ্য যে, আজিৰ এই কাণ্ডৰ সৈতে জড়িত বয়িং ৭৩৭ মেক্স বিমানখন ২০২৩ চনৰ ১ অক্টোবৰত আলাস্কা এয়াৰলাইন্সলৈ প্ৰেৰণ কৰা হৈছিল। ২০২৩ চনৰ ১১ নৱেম্বৰৰ পৰা বাণিজ্যিক সেৱা আগবঢ়াবলৈ আৰম্ভ কৰিছিল বিমানখনে। Flightradar24ৰ মতে, এই বিমানখনে এতিয়ালৈকে মাত্ৰ ১৪৫ বাৰহে উৰা মাৰিছে। ৭৩৭-৯ মেক্সৰ উইংছৰ পিছফালে অন্তৰ্ভুক্ত কৰা হৈছে কেবিনৰ এক্সিট দুৱাৰ। ক্লিয়াৰেন্সৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ ইয়াক বহাৰ ব্যৱস্থাত সক্ৰিয় কৰা হৈছে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান